RNI REGN. No.
epaper.as
Portal : www.
e-mail : asom

# অসম আদিত্য

২১৪ ■ ২২ শাওণ, ১৯৪৮ শক ■ শনিবাৰ, ৮ আগষ্ট, ২০২৬ ■ Asom Aditya, Dibrugarh, Saturday, August 8, 2026 ■ Price Rs. 7 ■ ডিব্ৰুগড় আৰু গুৱাহাটীৰ পৰা প্ৰকাশি


### কানৈ মহাবিদ্যালয়ৰ নৱাগত আদৰণী সভাত সত্ৰাধিকাৰ ড° পীতাম্বৰ দেৱগোস্বামী

## জ্ঞানেই হৈছে সংসাৰৰ আটাইতকৈ শ্ৰেষ্ঠ সম্পদ



ষ্টাফ ৰিপৰ্টাৰ, ৭ আগষ্ট ঃ 'জ্ঞানেই হৈছে সংসাৰৰ আটাইতকৈ শ্ৰেষ্ঠ সম্পদ। পৃথিৱীত জ্ঞানতকৈ আৰু পবিত্ৰ সম্পদ নাই।' ডিব্ৰুগড় হনুমানবক্স সুৰজমল কানৈ মহাবিদ্যালয় (স্বায়ত্তশাসিত)ৰ ছাত্ৰ একতা সভাৰ উদ্যোগত অনুষ্ঠিত নৱাগত আদৰণী সভাত উদ্বোধক হিচাপে উপস্থিত থাকি আউনীআটী বিশ্ববিদ্যালয়ৰ আচাৰ্য, শ্ৰীশ্ৰী আউনীআটী সত্ৰৰ সত্ৰাধিকাৰ ড০ পীতাম্বৰ দেৱগোস্বামীয়ে আজি এইদৰে কয়। সত্ৰাধিকাৰগৰাকীয়ে কয়— মানুহক সুন্দৰভাৱে গঢ়ি তোলাৰ মূল আহিলাটোৱেই হৈছে জ্ঞান। জ্ঞানৰ যোগেদি সকলোৱে নিজক সুন্দৰৰূপে গঢ়ি তুলিব পাৰে। মহাবিদ্যালয়ৰ মুখ্যদ্বাৰৰ পৰা আবৃত্তি কৰি গায়ন-বায়ন, এনচিচিৰ কেডেটে উষ্ম আদৰণি জনাই সভাগৃহলৈ নিয়া সভাখনত সত্ৰাধিকাৰ ড০ গোস্বামীয়ে কয়— পৃথিৱীত বিভিন্ন ধৰণৰ দান আছে, সেই দানসমূহৰ ভিতৰত একেবাৰে ক্ষয় নোহোৱা দানটোৱেই হ'ল জ্ঞান দান। তেওঁ কয়— যি জ্ঞান দান কৰে তেওঁ পৃথিৱীৰ সৰ্বশ্ৰেষ্ঠ ব্যক্তিৰূপে পৰিগণিত হয় আৰু যি আনুষ্ঠানিকভাৱে সেই জ্ঞান আহৰণ কৰে তেওঁলোক পৃথিৱীৰ ভিতৰত সমৃদ্ধিশালী ব্যক্তিৰূপে বিবেচিত হয়। অধ্যাপক ড০ অমিতাভ দলেই আঁত ধৰা অনুষ্ঠানটিত সত্ৰাধিকাৰগৰাকীয়ে কয়— যেতিয়ালৈকে মানুহৰ সামূহিকতাৰ ভেটিত আনুষ্ঠানিক জ্ঞান সংগ নহয়, তেতিয়ালৈকে মানুহৰ জীৱনটো পৰিশীলিত নহয়। সত্ৰাধিকাৰগৰাকীয়ে ভগৱান শ্ৰীকৃষ্ণই আনুষ্ঠানিক শিক্ষাগ্ৰহণ কৰাৰ দিনৰ পৰাই নৱাগত আদৰণিৰ এক পৰম্পৰা চলি আহিছে বুলি উল্লেখ কৰি কয়— ভগৱান শ্ৰীকৃষ্ণই শাওন মাহৰ পবিত্ৰ গুৰু পূৰ্ণিমাৰ দিনাই আনুষ্ঠানিক শিক্ষাৰ পাতনি মেলিছিল আৰু সেইমতে আজিও সেই পৰম্পৰাৰে শাওন মাহতেই নৱাগত আদৰণী সভা অনুষ্ঠিত কৰে মহাবিদ্যালয়সমূহে। পুৱা মহাবিদ্যালয় চৌহদত থকা সৰস্বতী মন্দিৰত নৱাগত ছাত্ৰ-ছাত্ৰীসকলৰ সৰস্বতী বন্দনাৰে শুভাৰম্ভ হোৱা সভাখনিত তেওঁ কয়— আজি নৱাগত ছাত্ৰ-ছাত্ৰীসকলক অগ্ৰজসকলে যি মৰম, শ্ৰদ্ধা যাঁচিছে, সেই মৰম, শ্ৰদ্ধাৰ যদি তেওঁলোকে মূল্য দিব নোৱাৰে, তেতিয়া হ'লে তেওঁলোক জ্ঞানৰ প্ৰকৃত শিক্ষা নথকা এক কঙাল শিক্ষাৰ্থীলৈ পৰিগণতি হ'ব বুলি উল্লেখ কৰি কয়— আজি নৱাগতসকলক যি শ্ৰদ্ধা জনোৱা হৈছে, সেই শ্ৰদ্ধাক তেওঁলোকে সন্মান কৰিবই লাগিব। সেই সন্মানৰ মূল্যতেই সোমাই আছে নৈতিক শিক্ষা, আধ্যাত্মিক শিক্ষা, সামাজিক শিক্ষা আৰু সমাজ জীৱনৰ শিক্ষা। যেতিয়া প্ৰত্যেকগৰাকী ছাত্ৰ-ছাত্ৰীয়ে এই মূল্যবোধক ৰক্ষা কৰিবলৈ শিকিব, তেতিয়া আমাৰ সমাজখন সঁচাকৈ সুস্থিৰ হৈ থাকিব। আটাইতকৈ গুৰুত্বপূৰ্ণ বিষয়টোৱেই হ'ল সময়। পৰাশৰে কয়— কানৈ মহাবিদ্যালয়ে সময়ক অধিক গুৰুত্ব দিয়ে। মহাবিদ্যালয়খনৰ সকলো অনুষ্ঠানেই নিৰ্দিষ্ট সময়ত অনুষ্ঠিত হয়। তেওঁ কয়— মানুহে সময়ক ভয় কৰিব লাগে, সময়ক ভয় কৰি আগুৱাই গ'লেহে জীৱনত সফলতা লাভ কৰিব পাৰি বুলি উল্লেখ কৰি কয়— পৃথিৱীৰ সফল ব্যক্তিসকলে সময়ক ভয় কৰি চলাৰ বাবে তেওঁলোকে জীৱনত সফলতা লাভ কৰিবলৈ সক্ষম হৈছে। সময়েই আমাক সকলো শিকায়, সময়েই আমাৰ জীৱনত সকলো কৰে বুলি উল্লেখ কৰি তেওঁ ছাত্ৰ-ছাত্ৰীসকলক উদ্দেশ্য কৰি কয়— তোমালোক এতিয়া ভৰ যৌৱন অৱস্থাত আছা। জীৱনক গঢ় দিয়াৰ এইটোৱেই সোণালী সময়, গতিকে তোমালোকে এই মূল্যবান সময়খিনিক অপব্যৱহাৰ নকৰি ভাল কামত ব্যৱহাৰ কৰিবা, তেতিয়াহে ভৱিষ্যটো আনন্দৰ হ'ব, সুখৰ হ'ব, মধুৰ হ'ব। বন্তি প্ৰজ্বলন আৰু মহাবিদ্যালয় সংগীতেৰে আৰম্ভ হোৱা অনুষ্ঠানটিত মহাবিদ্যালয়ৰ অধ্যক্ষ ড০ শশীকান্ত শইকীয়াই আদৰণি ভাষণ প্ৰদান কৰি ছাত্ৰ-ছাত্ৰীসকলক কয়— তোমালোকে আজি যিখন মহাবিদ্যালয়ৰ মণিকূটত ভৰি দিছা, ই কেৱল এখন শিক্ষানুষ্ঠান নহয়, ই হৈছে ১৯৪৫ চনতেই ৰোপণ কৰা উজনি অসমৰ শিক্ষা, জ্ঞান আৰু সংস্কৃতিৰ এক অক্ষয় বটবৃক্ষ। ডি এইচ এছ কানৈ মহাবিদ্যালয় (স্বায়ত্তশাসিত)ৰ শ্ৰেণীকোঠাবোৰত যুগ যুগ ধৰি প্ৰতিধ্বনি সৃষ্টি হৈ আহিছে কেৱল সংগ্ৰাম, সহযোগিতা, সমন্বয় আৰু সফলতাৰ। এই পবিত্ৰ ভূমিত অসমৰ মহান মনীষীসকলৰ পদধূলা পৰি মহাবিদ্যালয় চৌহদ পৱিত্ৰ কৰি আহিছে। অধ্যক্ষগৰাকীয়ে এই ক্ষেত্ৰত প্ৰতিষ্ঠাপক অধ্যক্ষ পণ্ডিতপ্ৰৱৰ ড০ যোগীৰাজ বসু আৰু মহাবিদ্যলয়খনৰ আন্যতম প্ৰাণ প্ৰতিষ্ঠাতা ড০ লক্ষ্মী প্ৰসাদ দত্ত, অশ্বিনী চৰণ চৌধুৰীৰ লগতে প্ৰতিষ্ঠাপক অধ্যাপক, কৰ্মচাৰীসকলৰ বদান্যতাক শ্ৰদ্ধাৰে সোঁৱৰে। গাম্ভীৰ্যপূৰ্ণ অনুষ্ঠানটিত মহাবিদ্যালয়ৰ পৰিচালনা সমিতিৰ সভাপতি ড০ লখিৰাম শইকীয়া, সদস্য অভিমন্যু বৰুৱা, ড০ গোপাল চন্দ্ৰ হাজৰিকা আৰু জ্যোতি প্ৰসাদ কানৈয়ে নৱাগত ছাত্ৰ-ছাত্ৰীসকলক উদ্দেশ্যি সৰলীল বক্তব্য প্ৰদান কৰে। অনুষ্ঠানটিত মহাবিদ্যালয়ৰ অসমীয়া বিভাগৰ সহযোগী অধ্যাপক ড০ মৃদুল শৰ্মাই নৱাগতছাত্ৰ-ছাত্ৰীসকলক মহাবিদ্যালয়খনৰ চমু বিৱৰণীৰ লগতে উদ্‌গণীমূলক বক্তব্য প্ৰদান কৰে। অনুষ্ঠানৰ লগত সংগতি ৰাখি মহাবিদ্যালয় সপ্তাহৰ বিভিন্ন প্ৰতিযোগিতাত বিজয়ী ছাত্ৰ-ছাত্ৰীসকলক বঁটা বিতৰণী অনুষ্ঠানটোও সম্পন্ন কৰা হয়। মুকলি সভাৰ পিছতেই মহাবিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰীসকলে বিভিন্ন গীত-মাত-নৃত্য পৰিৱেশন কৰি অনুষ্ঠানটি অধিক মনোগ্ৰাহী কৰি তোলে। গাম্ভীৰ্যপূৰ্ণ অনুষ্ঠানটিত মহাবিদ্যালয়ৰ সমূহ অধ্যাপক-অধ্যাপিকা, কৰ্মচাৰী, ভালেসংখ্যক গণ্যমান্য ব্যক্তি, ছাত্ৰ একতা সভাৰ সভাপতি আত্ৰেয় চেতিয়া, সাধাৰণ সম্পাদক ৰোমান বৰুৱাৰ লগতে ছাত্ৰ একতা সভাৰ সমূহ বিষয়ববীয়াকে ধৰি পাঁচ শতাধিক ছাত্ৰ-ছাত্ৰী উপস্থিত থাকে।